DAILY ASSAM

## দ্বিতীয় অধ্যায়

# ভাৱবাদ (Idealism)

### 8.2.1

জ্ঞানৰ বিষয়বস্তুৰ প্ৰকৃতি সম্পৰ্কীয় মতবাদ হিচাপে ভাৱবাদ এক উল্লেখযোগ্য মতবাদ। গ্ৰীক দাৰ্শনিক প্লেটো, বাৰ্কলি, হেগেল, ইমানুৱেল কাণ্ট আদি দাৰ্শনিকসকল ভাৱবাদৰ সমৰ্থক। ঐতিহাসিক দৃষ্টিকোণৰ পৰা গ্ৰীক দাৰ্শনিক প্লেটোক ভাৱবাদৰ প্ৰৱৰ্তক বুলি ক'ব পাৰি। ভাৱবাদীসকলৰ মতে জ্ঞাতা আৰু জ্ঞেয়ৰ ফলশ্ৰুতিত জ্ঞানৰ উৎপত্তি হয়। ভাৱবাদ অনুসৰি জ্ঞানৰ বিষয়বস্তুৰ স্বতন্ত্ৰ, মননিৰপেক্ষ অস্তিত্ব নাই। কিয়নো যি বস্তু মননিৰপেক্ষ অৰ্থাৎ যি বস্তুৰ মনৰ লগত কোনো সম্বন্ধ নাই তাক মনে কোনোপধ্যে জানিব নোৱাৰে। জ্ঞানৰ বিষয়বস্তুৰ স্বৰূপ সম্বন্ধীয় যি মতবাদ অনুসৰি জ্ঞেয় বস্তুৰ স্বতন্ত্ৰ, মননিৰপেক্ষ অস্তিত্ব অস্বীকাৰ কৰা হয় তাক ভাৱবাদ বুলি কোৱা হয়।

ভাৱবাদ অনুসৰি সকলো বস্তু মনৰ ওপৰত নিৰ্ভৰশীল। জ্ঞানৰ বিষয়বস্তুবোৰ নিজস্ব গুণেৰে সৈতে জ্ঞাতা মনৰ ওপৰত নিৰ্ভৰশীল। গতিকে ভাৱবাদীসকলৰ মতে জ্ঞাতা আৰু জ্ঞেয়ৰ মাজত অবিচ্ছেদ্য সম্বন্ধ আছে। এওঁলোকৰ মতে মনৰ ধাৰণাৰ বাহিৰে একো নাই। মনৰ বাহিৰত বাহ্যিক জগতখনৰ স্বতন্ত্ৰতা নাই। ভাৱবাদীসকলৰ মতে, মন বা আত্মাই হ'ল পৰম সত্তা। সকলো বস্তু মনৰ ভিতৰত থাকে।

দাৰ্শনিক প্লেটোৰ দিনৰে পৰা ভাৱবাদে আধ্যাত্মিকতাৰ পৃষ্ঠপোষকতা কৰি আহিছে। এই ফালৰ পৰা ভাৱবাদীসকলে জগতখনক মন বা আত্মাৰ বিস্তৃতি বুলি ভাবে। জ্ঞানতাত্বিক দিশৰ পৰভাৱবাদীসকলে মন বা চিন্তাৰ জগতক অধিক যথাৰ্থতা প্ৰদান কৰিছে। সেয়েহে ভাৱবাদীসকলে সাব্যস্ত কৰিছে যে মনেই সত্তা, বস্তু মনৰ এক উপবস্তুহে। এই বিশ্বজগত স্বয়ংসম্পূৰ্ণ নহয়। ভাৱবাদীসকলে বিশ্ব পৰিক্ৰমাৰ অন্তৰালত এক আভ্যন্তৰীণ ঐক্যত বিশ্বাস কৰে।

### 8.2.2 ভাৱবাদৰ বৈশিষ্ট্য ঃ

জ্ঞানৰ বিষয়বস্তুৰ প্ৰকৃতি সম্বন্ধীয় মতবাদ হিচাপে ভাৱবাদৰ কেতবোৰ বিশেষ বৈশিষ্ট্য আছে। সেইবোৰ হ'ল এনেধৰণৰ—

(1) ভাৱবাদ অনুসৰি জ্ঞানৰ বিষয়বস্তুৰ অস্তিত্ব মনৰ ওপৰত নিৰ্ভৰশীল। ভাৱবাদীসকলৰ মতে জ্ঞানৰ বিষয়বস্তুৰ মননিৰপেক্ষ স্বতন্ত্ৰ অস্তিত্ব নাই। যিবোৰ বস্তুক আমাৰ মনে জানিব নোৱাৰে তেনেবোৰ বস্তুৰ অস্তিত্বক ভাৱবাদীসকলে যথাৰ্থ বুলি বিবেচনা নকৰে।

(2) ভাৱবাদৰ সমৰ্থকসকলৰ মতে বস্তুতকৈ মনৰ প্ৰাধান্য বেছি। কিয়নো জাগতিক

বস্তুবোৰৰ অস্তিত্ব মনৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। এওঁলোকৰ মতে, মনৰ অস্তিত্ব অবিহনে বাহ্যিক জগতখন পোৱা নাযায়। ভাৱবাদীসকলৰ মতে, এক চৈতন্য মনৰ অবিহনে বাহ্যিক জগতখনৰ অস্তিত্ব সম্ভৱ নহয়।

(3) ভাৱবাদীসকলৰ চিন্তাধাৰা সম্পূৰ্ণৰূপে উদ্দেশ্যধৰ্মী। অৰ্থাৎ ভাৱবাদীসকলৰ চিন্তাধাৰাৰ অন্তৰালত এখন উদ্দেশ্যধৰ্মী জগত আছে। এই উদ্দেশ্যধৰ্মী জগতখন হ'ল যি প্ৰকৃতিগতভাৱে আধ্যাত্মিক। উদ্দেশ্যধৰ্মী জগতখন নিত্য, শ্বাশ্বত, নিৰন্তৰ আৰু অবিনশ্বৰ।

(4) ভাৱবাদে ঈশ্বৰ, আত্মা, মন আদিৰ অস্তিত্বক বিশ্বাস কৰে। ভাৱবাদীসকলে ঈশ্বৰ, আত্মা, মন আদিক সত্তা বুলি গণ্য কৰে। ভাৱবাদ অনুসৰি ঈশ্বৰ জগতৰ পৰা বিচ্ছিন্ন নহয়। পৰম সত্তা হিচাপে ঈশ্বৰ জগত প্ৰক্ৰিয়াৰ মাজতে ব্যাপ্ত। ঈশ্বৰেই হ'ল এই বিশ্বজগতৰ মূল লক্ষ্য আৰু চালিকা শক্তি।

(5) ভাৱবাদীসকলে প্ৰমূল্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভাৱবাদৰ সমৰ্থকসকলে নৈতিক প্ৰমূল্যবোৰৰ এক বস্তুনিষ্ঠ ভিত্তি আগবঢ়ায়। এই ফালৰ পৰা ভাৱবাদীসকলে সাব্যস্ত কৰে যে প্ৰমূল্যবোৰ ব্যক্তি অথবা সামাজিকতাৰ উৰ্ধ্বত। এওঁলোকৰ মতে, আত্মজ্ঞানেই হ'ল পৰম প্ৰমূল্য, বাকী সকলোবোৰ প্ৰমূল্য ইয়াৰ অধীন। ভাৱবাদীসকলে বিশ্বাস কৰে যে ব্যক্তিয়ে হ'ল নৈতিক কৰ্তা যি প্ৰমূল্য আৱিস্কাৰ কৰিব পাৰে।

(6) ভাৱবাদীসকলে মানৱ অস্তিত্বৰ গুৰুত্ব স্বীকাৰ কৰে। মানুহেই হ'ল জগতৰ কেন্দ্ৰবিন্দু, মানুহক বাদ দি কোনো কথা ভাবিব নোৱাৰি। যদিও মানুহ এই জগত প্ৰক্ৰিয়াৰে অংশ, তথাপি মানুহ আধ্যাত্মিক জীৱ। কিয়নো মানুহক জড় বস্তুলৈ ৰূপান্তৰ কৰিব নোৱাৰি।

## 8.2.3 ভাৱবাদৰ প্ৰকাৰ ঃ

সকলোবোৰ ভাৱবাদীয়ে স্বীকাৰ কৰে যে জ্ঞানৰ বিষয়বস্তুৰ অস্তিত্ব মনৰ ওপৰত নিৰ্ভৰশীল। কিন্তু জ্ঞানৰ বিষয়বস্তুৰ অস্তিত্ব ব্যক্তি মনৰ ওপৰত নিৰ্ভৰশীল নে পৰম মনৰ ওপৰত নিৰ্ভৰশীল এই ক্ষেত্ৰত ব্যাখ্যাৰ তাৰতম্য অনুসৰি ভাৱবাদৰ বিভিন্ন প্ৰকাৰ পোৱা যায়। সেইবোৰ হ'ল ক্ৰমে এনে ধৰণৰ—

(1) আত্মগত ভাৱবাদ
(Subjective Idealism)

(2) বস্তুগত ভাৱবাদ
(Objective Idealism)

(3) অৱভাষিক ভাৱবাদ
(Phenomenalistic Idealism)

## অনুশীলনী

**1.** উত্তৰ দিয়া ঃ

(a) ভাৱবাদ অনুসৰি জ্ঞানৰ বিষয়বস্তুৰ স্বতন্ত্ৰ অস্তিত্ব আছে / নাই।

(b) ভাববাদ অনুসৰি জ্ঞানৰ দ্বাৰা জ্ঞানৰ বিষয়বস্তুৰ অস্তিত্ব নিৰূপিত হয় / নহয়

(c) ভাববাদে মনৰ প্ৰাধান্যতা স্বীকাৰ কৰে/ নকৰে।

**2.** চমু উত্তৰ দিয়া ঃ

(a) ভাববাদ কি?

(b) ভাববাদৰ প্ৰকাৰ কেইটা আৰু কি কি?

**3.** পাৰ্থক্য লিখা ঃ

বাস্তৱবাদ আৰু ভাববাদ।

**4.** জ্ঞানৰ বিষয়বস্তুৰ প্ৰকৃতি সম্বন্ধীয় মতবাদ হিচাপে ভাববাদ সম্পৰ্কে আলোচনা কৰা।

**5.** ভাববাদৰ বৈশিষ্ট্য কি কি? আলোচনা কৰা।

* * *

DAILY ASSAM